**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-JUNE-2026
**Time :** 1800 HRS

***Assamese Evening Bulletin***

———————————————

০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১২ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ কৰাৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন ঠাইত বিশেষ কাৰ্যসূচী গ্ৰহণ।

২। ৰাজ্যত সমাগত নীট পৰীক্ষা স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিষয়াসকলৰ প্ৰতি বিশেষ নিৰ্দেশনা।

৩। সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আজি ১২৪ সংখ্যক ওপজা দিন।

*আৰু*

৪। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত কংগোৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে পৰ্তুগালৰ অভিযান আৰম্ভ।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১২ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ কৰাৰ অংশ হিচাপে আজি ৰাজ্যিক বিজেপিৰ উদ্যোগত গুৱাহাটী মহানগৰীৰ বৰাগাঁৱৰ শ্বহীদ স্মাৰক ক্ষেত্ৰত বিশেষ প্ৰদৰ্শনী আয়োজন কৰা হয়। প্ৰদৰ্শনীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া কাৰ্যকালৰ আঁচনি, উন্নয়নমূলক কামসমূহৰ সন্দৰ্ভত সবিশেষ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক বিজয় গুপ্তাকে ধৰি ভালেমান নেতা-কৰ্মী উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া শাসন কালৰ সফলতাক লৈ আজি পশ্চিম কাৰ্বি আংলঙৰ টুমপ্ৰেঙত আজিৰে পৰা ২১ জুনলৈ বিশেষ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ডি উফিং মাছলাইয়ে এই প্ৰদৰ্শনী মুকলি কৰি প্ৰধানমন্ত্ৰীগৰাকীৰ ১২ বছৰীয়া কাৰ্যকালৰ সফলতাৰ খতিয়ান দাঙি ধৰে।

মৰিগাঁও জিলাৰ কৃষি বিভাগ তথা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত জিলা পুথিভৰালত এই উপলক্ষে জৈৱিক খেতিৰ সন্দৰ্ভত বিশেষ কৰ্মশালা আৰু বীজ বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে অনুষ্ঠানত উপস্থিত থাকি কৃষকসকলক প্ৰাকৃতিক আৰু জৈৱিক কৃষিৰ প্ৰতি আগ্ৰহী হ'বলৈ আহ্বান জনায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি ১২গৰাকীকৈ যোগ্য হিতাধিকাৰী কৃষকক শালি ধানৰ বীজ আৰু তিলৰ বীজ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ খাৰিফ বতৰৰ বীমাকৰণ প্ৰক্ৰিয়াও মুকলি কৰা হয়।

শ্ৰীভূমি জিলাৰ আকবৰপুৰত প্ৰাকৃতিক আৰু জৈৱিক কৃষি বিষয়ক এখন কৰ্মশালা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। অনুষ্ঠানত জিলা বিজেপিৰ কিষাণ মৰ্চাৰ সভাপতিগৰাকীয়ে ৰাসায়নিক সাৰৰ ওপৰত

নিৰ্ভৰশীলতা হ্ৰাস কৰি প্ৰাকৃতিক আৰু জৈৱিক কৃষি পদ্ধতিত মনোনিবেশ কৰিবলৈ কৃষকসকলৰ প্ৰতি আহ্বান জনায়।

ধেমাজি পৌৰসভাৰ উদ্যোগত আৰু বিজেপিৰ ধেমাজি নগৰ মণ্ডলৰ সহযোগত আজি ১২ বছৰ বিশ্বাস, বিকাশ আৰু জনকল্যাণ শীৰ্ষক এখন সন্মিলন অনুষ্ঠিত হয়। এই কৰ্যসূচীত ভালেমান ব্যক্তি উপস্থিত থাকে।

বৰপেটা জিলাত বিজেপিৰ কৃষক মৰ্চাৰ সহযোগত আয়োজিত কাৰ্যসূচীত অসম বিধানসভাৰ অধ্যক্ষ তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে। জিলা পুথিভৰাল প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত উপস্থিত থাকি শ্ৰীদাসে কয় যে ২০৪৭ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ স্বপ্ন বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰত কৃষকসকলক বছৰত একাধিক খেতি কৰিবলৈ আহ্বান জনায়।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমাগত নীট পৰীক্ষা সন্দৰ্ভত সকলো পক্ষ সামৰি অনুষ্ঠিত এখন বৈঠকত আজি অধ্যক্ষতা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই পৰীক্ষা স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিষয়াসকলক যাৱতীয় সকলো  ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত কোনো ধৰণৰ অনীতি বা অনিয়মৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হয়। পৰীক্ষাৰ্থীসকল পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰাৰ পূৰ্বে দুই তৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে পাৰ হ'ব লাগিব। পৰীক্ষা কেন্দ্ৰসমূহৰ পৰা ১০০ মিটাৰ দূৰত্বলৈকে ১৪৪ ধাৰা জাৰি কৰা হ'ব। তদুপৰি বৈধ প্ৰৱেশ-পত্ৰ লগত থকা পৰীক্ষাৰ্থীসকলৰ বাবে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনৰ বাহনসমূহত পৰীক্ষাৰ দিনটোত যাতায়ত বিনামূলীয়া হ'ব। পৰীক্ষা কেন্দ্ৰসমূহত যাতে কোনোৱে মোবাইল ফোন অবৈধভাৱে ব্যৱহাৰ কৰিব নোৱাৰে সেয়া সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা লোৱা হ'ব। পৰীক্ষা কেন্দ্ৰসমূহ ২৪ ঘণ্টাই আৰক্ষীৰ নিৰাপত্তা বেষ্টনীৰ অধীনত থাকিব। তদুপৰি প্ৰশ্নকাকতসমূহ সামৰিক বাহিনীৰ বিষয়াৰ জৰিয়তে সৰবৰাহ কৰা হ'ব। সকলো পৰীক্ষা কেন্দ্ৰতে চিচি টিভিৰ দ্বাৰা পৰ্যবেক্ষণৰ ব্যৱস্থা কৰা হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যত এই সন্দৰ্ভত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি অহা হৈছে।

আনহাতে ৰাজ্যত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নীট পৰীক্ষা পৰিচালনা কৰিবলৈ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সভাপতিত্বত কালি অনুষ্ঠিত বৈঠকত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এৰ দ্বাৰা বিশেষভাৱে অনুমোদিত বিষয়াসকলৰ বাহিৰে পৰীক্ষাৰ্থী, নিৰীক্ষক, বিষয়া-কৰ্মচাৰীকে ধৰি সকলোৰে বাবে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত ম'বাইল ফোনৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক ষ্ট্ৰং ৰূম আৰু পৰীক্ষাকেন্দ্ৰসমূহ ব্যক্তিগতভাৱে পৰিদৰ্শন কৰাৰ লগতে উত্তৰবহীসমূহ নিৰাপদে প্ৰেৰণ নকৰালৈকে সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়।

০০০০০

ৰূপান্তৰেহে জগত ধুনীয়া কৰে বুলি ভৱিষ্যমুখী সমাজ নিৰ্মাণৰ পণ লোৱা সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আজি ১২৪ সংখ্যক ওপজা দিন।  প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নিৰ্মাতা, গীত-নাট-কবিতাকে ধৰি সাহিত্যৰ মেটমৰা সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা ৰূপকোঁৱৰ সব্যসাচী শিল্পী আছিল। ১৯০৩ চনৰ এই দিনটোতে ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত শিল্পীগৰাকীৰ জন্ম

হৈছিল। গীত-মাত, সাহিত্য সাধনাৰ লগতে দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা লোৱা শিল্পীগৰাকীৰ সৃষ্টিসমূহে সমাজৰ সকলো স্তৰৰ লোকক আগবাঢ়ি যোৱাৰ প্ৰেৰণা দিছিল।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সুন্দৰৰ সাধক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক ওপজা দিনত শ্ৰদ্ধাৰে স্মৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে অসমৰ কলা-সংস্কৃতি, সাহিত্য-সংগীত আৰু চলচ্চিত্ৰ ক্ষেত্ৰলৈ শিল্পীগৰাকীয়ে আগবঢ়াই যোৱা অনন্য বৰঙণিয়ে অসমীয়া জাতিৰ আত্মপৰিচয়ক অধিক শক্তিশালী কৰাৰ লগতে সমাজত ঐক্য, সম্প্ৰীতি আৰু মানৱতাৰ মহান বাৰ্তাক প্ৰসাৰিত কৰিছে বুলি মন্তব্য কৰে।

০০০০০০

ৰাজ্যৰ বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক তথা অনুবাদক গীতা উপাধ্যায় ২০২৬-২৭ বৰ্ষৰ সতী সাধনী বঁটাৰ বাবে নিৰ্বাচিত হৈছে। সমাগত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ সৈতে সংগতি ৰাখি  চৰকাৰে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিলৈ এই ৰাজ্যিক বঁটাসমূহ আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। ১৯৩৯ চনৰ ১৪ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা গীতা উপাধ্যায় হৈছে ৰাজ্যৰ গোৰ্খা সম্প্ৰদায়ৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা প্ৰথমগৰাকী মহিলা। সাহিত্য আৰু শিক্ষা ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তেওঁক ২০২৫ চনত দেশৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান পদ্মশ্ৰী উপাধিৰে বিভূষিত কৰা হৈছে।

০০০০০০

যোৰহাট জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ বিধায়ক বিকাশ শইকীয়াই সমষ্টিটোৰ ককিলা, নিমাতী, গোহাইগাঁও, ককিলামুখ, ২নম্বৰ মিচিং গাঁৱলৈকে বৃহৎ গৰাখহনীয়া অঞ্চল পৰিদৰ্শন কৰি স্থানীয় জনসাধাৰণৰ সৈতে মত বিনিময় কৰে। এই পৰিদৰ্শন কালত কাৰ্যবাহী অভিযন্তাকে ধৰি বিভাগীয় বিষয়ববীয়া আৰু বিভিন্ন লোক উপস্থিত থাকে। খহনীয়া প্ৰতিৰোধ আৰু স্থায়ী সমাধানৰ বাবে বিষয়ববীয়াৰ সৈতে আলোচনা কৰা হয়।

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংঘালে আজি মন্ত্ৰিত্ব গ্ৰহণ কৰাৰ পাছত প্ৰথমবাৰলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰে। বিগত ১০ বছৰত মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি যথেষ্ট উন্নত হোৱা বুলি তেওঁ মতপ্ৰকাশ কৰে। সদ্যহতে হাস্পতালখনত ৩ হাজাৰ ২০০ৰো অধিক বৰ্হিৰোগ চিকিৎসা বিভাগৰ সুবিধা আছে বুলি উল্লেখ কৰি তেওঁ কয় যে বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল ৰাজ্যৰ এখন আগশাৰীৰ স্বাস্থ্যসেৱা কেন্দ্ৰত পৰিণত হৈছে। ৰাজ্যৰ অন্যান্য প্ৰান্তত চিকিৎসা ব্যৱস্থা পৰ্যায় ক্ৰমে ত্বৰান্বিত হৈ আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে সমাগত দিনসমূহত এই চিকিৎসালয়খনত ৰোগীৰ সংখ্যা হ্ৰাস হ'লে গুৰুতৰ ৰোগীগ্ৰস্তসকলক অধিক সুবিধা দিব পৰা যাব।

*-বাইট-*

জাপানীজ এনকেফেলাইটিজ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে এই ৰোগৰ প্ৰাদুৰ্ভাৱ অধিক হোৱা অঞ্চলসমূহত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জনসাধাৰণক যাৱতীয় সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনাই তেওঁ কয়, যে চৰকাৰৰ তৰফৰ পৰা জাপানীজ এনকেফেলাইটিজ নিয়ন্ত্ৰণ কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জনসাধাৰণক সুৰক্ষিত ৰাখিবলৈ উপলব্ধ সকলো প্ৰতিষেধকৰ ব্যৱস্থা চৰকাৰে কৰি আহিছে বুলি তেওঁ মতপ্ৰকাশ কৰে।

০০০০০

ৰাভা হাছাং স্বায়ত্ত শাসিত পৰিষদৰ আওতাৰ বাহিৰত বসবাস কৰা ৰাভা সম্প্ৰদায়ৰ লোকসকলৰ উন্নয়ন তথা কল্যাণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে নৱগঠিত ৰাভা উন্নয়ন পৰিষদৰ সদস্যসকলে আজি শপতগ্ৰহণ কৰে। ভৈয়াম জনজাতীয় পৰিক্ৰমা বিভাগৰ কাৰ্যালয়ত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। নিখিল ৰাভা ছাত্ৰ সংগঠনৰ সভাপতি তথা সাধাৰণ সচিবৰ উপস্থিতিত ভৈয়াম জনজাতীয় পৰিক্ৰমা বিভাগৰ সচিব শ্ৰীমতী সুষমা হাজৰিকাই পৰিষদৰ অন্যান্য সদস্যসকলৰ লগতে অধ্যক্ষ আৰু উপাধ্যক্ষসকলক শপতবাক্য পাঠ কৰোৱায়।

০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১০ বজাত পৰ্টুগালে কংগোৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে অভিযান আৰম্ভ কৰিব। একেদৰে নিশা ডেৰ বজাত ইংলেণ্ড আৰু ক্ৰৰেছিয়াই নিজৰ প্ৰথম খেলত অংশ ল'ব।

ইপিনে, আজি পুৱা চাৰে ৯ বজাত ছান ফ্ৰান্সিস্ক'ত অনুষ্ঠিত এখন খেলত অষ্ট্ৰিয়াই জৰ্ডানক ৩ - ১ গ'লত পৰাস্ত কৰে। বিগত বৰ্ষৰ চেম্পিয়ন আৰ্জেণ্টিনাইও প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। পুৱা অনুষ্ঠিত গ্ৰুপ-জেৰ এখন খেলত তিনিবাৰৰ বিশ্বকাপ দখল কৰা দলটোৱে অধিনায়ক লিঅ'নেল মেচিৰ হেট্ৰিকেৰে আলজেৰিয়াক ৩-০ গ'লত পৰাস্ত কৰে।

০০০০০০

**সমাপ্ত**